# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-10-2025
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে কালি তিনিচুকীয়াত নিৰাপত্তা বাহিনীৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। শ্ৰীসিঙে জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত সেনা বাহিনীৰ শীৰ্ষ বিষয়া, চোৰাংচোৱা বিষয়া, শদিয়া আৰু তিনিচুকীয়া আৰক্ষীৰ শীৰ্ষ বিষয়াৰ সৈতে আলোচনা কৰে। এই বৈঠকত শেহতীয়াকৈ তিনিচুকীয়াত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ কাৰ্যকলাপ বৃদ্ধি, সীমান্তৰ নিৰাপত্তা আৰু সেনা বাহিনীৰ শিবিৰত সংঘটিত আক্ৰমণ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। বৈঠকৰ পাছত সাংবাদিকৰ আগত সঞ্চালক প্ৰধানগৰাকীয়ে আলফা স্বাধীনক আলোচনালৈ আহিবলৈ আহ্বান জনায়। তেওঁ আলোচনাৰ জৰিয়তে সমস্যা সমাধানৰ পোষকতা কৰে। এই বৈঠক সন্দৰ্ভত সঞ্চালক প্ৰধানগৰাকীয়ে এইদৰে কয়–

*(বাইট)*

০০০০০০

শিৱসাগৰ জিলাৰ কোনো কোনো অঞ্চলত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাত জিলা প্ৰশাসনে কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়াৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত জিলাখনৰ ভাৰপ্ৰাপ্ত জিলা দণ্ডাধীশ সমীৰণ বৰাই ছোৱাইন ফিভাৰৰ সংক্ৰমণ ৰোধৰ বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা-২০২৩ৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰে। এই নিষেধাজ্ঞা অনুসৰি আমগুৰি ৰাজহ চক্ৰৰ অধীনত জীৱিত গাহৰি, গাহৰি মাংসৰে প্ৰস্তুত কৰা সামগ্ৰী আৰু গাহৰি মাংসৰ সৰবৰাহ নিষিদ্ধ কৰা হৈছে। আনহাতে, আমগুৰি ৰাজহ চক্ৰৰ অধীনত গাহৰিৰ মৃত্যুৰ সন্দৰ্ভত যিকোনো বিষয় বা বাতৰি, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ দৃষ্টিগোচৰ কৰাৰ লগতে মৃত গাহৰিৰ দেহটো দকৈ মাটি খান্দি তথা কঠোৰ জৈৱ সুৰক্ষামূলক ব্যৱস্থা অৱলম্বন কৰি পুতি থোৱাটো বাধ্যতামূলক কৰা হৈছে। গাহৰি উৎপাদক তথা গাহৰি পালকসকলক নতুনকৈ কোনো স্থানত যাতে আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ হ’ব নোৱাৰে, সেইক্ষেত্ৰত কঠোৰ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ জাৰি কৰা হৈছে। এই আদেশ অনুসৰি গাহৰিৰ খাদ্যৰ যিকোনো ধৰণৰ পৰিবহণৰ বাবে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ পৰা অনুমতি লোৱাটো বাধ্যতামূলক কৰা হৈছে। পৰৱৰ্তী আদেশ নিদিয়া পৰ্যন্ত এই আদেশ বাহাল থাকিব বুলি নিৰ্দেশনাত উল্লেখ আছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ বৰবৰুৱা শিক্ষাখণ্ডৰ অন্তৰ্গত মানকটা প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ উদ্যোগত অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুৰ বিদায় সম্বৰ্ধনা অনুষ্ঠান কালি বকুল প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। মানকটা প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ উদ্যোগত তিনিখন বিদ্যালয় টিমনা চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰণামী কোঁৱৰ ফুকন, উজনি হাতীমুৰা প্ৰাথমিক বিদ্যালয়ৰ ঊষাৰাণী বৰুৱা আৰু ১৬ নম্বৰ টেমত প্ৰাথমিক বিদ্যালয়ৰ আনন্দ বেহৰাই অৱসৰ গ্ৰহণ কৰাত কালি আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলে শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই **মায়াবিনী** শীৰ্ষক গীতটো পৰিৱেশন কৰাৰ লগতে ঝুমুৰ নৃত্যও প্ৰদৰ্শন কৰে। এই অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকলো উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত মাহমৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অহা বৰ্ষৰ জানুৱাৰীত সোণালী জয়ন্তী উদযাপন কৰা হ'ব। এই অনুষ্ঠান সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কালি স্থানীয় বিধায়ক তৰংগ গগৈয়ে বিদ্যালয়খনৰ কৰ্ণধাৰ সমিতিৰ লগতে সোণালী জয়ন্তী উদযাপন সমিতিৰ বিষয়ববীয়া সকলৰ সৈতে আলোচনা মিলিত হয়। ইপিনে বিধায়ক তৰংগ গগৈয়ে অহা ১ নৱেম্বৰৰ পৰা হ'বলগীয়া খেল মহাৰণত অংশগ্ৰহণ কৰিবলগীয়া মাহমৰা বৰপথাৰ পঞ্চায়তৰ ফুটবল দলটোৰ প্ৰস্তুতিৰ বুজ লয়।

০০০০০০

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনৰ পাঁচ হাজাৰ ৫৫০ টা নিম্ন আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ শিক্ষক পদৰ দ্বিতীয়খন প্ৰাৰম্ভিক মেধা তালিকা যোৱা নিশা প্ৰকাশ কৰা হয়। ইয়াৰ লগে লগে ৰাজ্যৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ তিনি হাজাৰ ৮০০ টা আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ নিয়মীয়া খালী পদত নিযুক্তিৰ বাবে মুঠ ৮ হাজাৰ ৫৮১ গৰাকী প্ৰাৰ্থীক বাচনি কৰা হৈছে। যোৱা ১০ ছেপ্তেম্বৰত চাৰি হাজাৰ ৩৩১ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন প্ৰাৰম্ভিক মেধা তালিকা প্ৰকাশ কৰা হৈছিল। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই মেধা তালিকাৰ ভিত্তিতে চূড়ান্ত তালিকা প্ৰকাশ পাব। দ্বিতীয়খন প্ৰাৰম্ভিক মেধা তালিকাত মাধ্যম অনুসৰি জিলা ভিত্তিত বাচনি লাভ কৰা চাকৰি প্ৰত্যাশিসকলৰ কাট অফ মাৰ্ক সন্নিৱিষ্ট কৰা হৈছে। এই সন্দৰ্ভত ওজৰ-আপত্তি থাকিলে কাইলৈৰ পৰা তিনি দিনলৈ জিলা প্ৰাথমিক সঞ্চালকালয়ত অভিযোগ দাখিল কৰিব পাৰিব।

০০০০০০

**সমাপ্ত**